আধুনিক অসমীয়া সাহিত্যলৈ মিছনেৰীসকলৰ দান

ইংৰাজ ৰাজত্ব (ইং ১৮২৬ চন)ৰ পিছৰেপৰা যেনেকৈ অসমত ৰাজনৈতিক পৰিবৰ্তন ঘটিল তেনেকৈ অসমীয়া সাহিত্যৰো বিষয়-বস্তু বা ৰচনা-ৰীতিৰ ফালৰপৰা বিৰাট পৰিবৰ্তন সাধিত হ'ল। এক কথাত ক'ব লাগিলে ইংৰাজ ৰাজত্বৰ কেইবছৰমান পিছৰপৰাই অসমীয়া সাহিত্যই সকলো দিশতে নতুনত্ব লাভ কৰিলে। সেইহে সমালোচকসকলে ইংৰাজ ৰাজত্বৰপৰা এতিয়ালৈকে সৃষ্টি হোৱা অসমীয়া সাহিত্যক **আধুনিক অসমীয়া সাহিত্য** আৰু অসমীয়া সাহিত্যৰ এই যুগটোক **আধুনিক যুগ** বুলি অভিহিত কৰিছে।

ইংৰাজসকলে অসমত কেইবছৰমান ৰাজত্ব কৰাৰ পিছতেই অসমীয়া ভাষা আৰু সাহিত্য-আকাশ এছটা ক'লা ডাৱৰে এন্ধাৰ কৰে ; কিন্তু সৌভাগ্য বশতঃ সেই ডাৱৰ বেছি দিনলৈ থাকিব নোৱাৰিলে। বৰং পূব আকাশত 'অৰুণোদয়' হোৱাত সেই এন্ধাৰ লাহে লাহে আঁতৰিল আৰু অসম সাহিত্য-আকাশ নতুন আলোকেৰে প্ৰতিভাত হৈ উঠিল। অসম সাহিত্যাকাশলৈ এন্ধাৰ নমাই আনিছিল—অসমৰ স্কুল-আদালতৰপৰা অসমীয়া ভাষা আঁতৰাই বঙলা ভাষা প্ৰচলন কৰাইছিল—ইংৰাজ শাসন কৰ্তাই—কেইজনমান বঙালী কেৰাণী, মহৰী আদি চাকৰিয়ালৰ কুচক্ৰনিত। বঙালী চাকৰিয়ালবোৰে অসমীয়া ভাষা সম্বন্ধে জ্ঞান নথকা ইংৰাজ শাসকক বুজাই দিছিল যে অসমীয়া স্বকীয়া ভাষা নহয়—বঙলা ভাষাৰে এটা গ্ৰাম্য ৰূপ মাথোন। এই বঙালী চাকৰিয়ালবোৰৰ চেষ্টাতেই ১৮৩৬ চনত অসমৰ পঢ়াশালি-আদালতৰপৰা অসমীয়া ভাষা আঁতৰিল আৰু তাৰ ঠাই দখল কৰিলে বঙলা ভাষাই। নিজ জন্মভূমিতেই অসমীয়া ভাষা হ'ল এলাগী আৰু বাহিৰৰ বঙলা ভাষা হ'ল সুৱাগী।

কিন্তু সৌভাগ্যক্ৰমে ১৮৩৬ চনত বেভাৰেণ্ড নাথান্ ব্ৰাউন, 3. টি কট্টৰ, অলিভাৰ কাটাৰ, অলিভাৰ মাইলচ্, ব্ৰন্সন আদিকে কেৰাগৰাকী আমেৰিকাৰ বেপ্টিষ্ট মিছনেৰী চাহাব আহে অসমত খ্ৰীষ্টধৰ্ম প্ৰচাৰ কৰিবলৈ। অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত যেনেকৈ মহাপুৰুষসকলে 'স্ত্ৰী শূদ্ৰ চাণ্ডাল' আদিকে সৰ্বসাধাৰণে বুজি পোৱাৰ অৰ্থে সংস্কৃত এৰি 'দেশী ভাষা'ত বৈষ্ণৱ গ্ৰন্থসমূহ প্ৰণয়ন কৰিছিল, সেইদৰে মিছনেৰীসকলেও অসমবাসীৰ মাজত নিজ ভাষা ইংৰাজী এৰি অসমীয়া ভাষাতে খ্ৰীষ্টধৰ্ম প্ৰচাৰ কৰিবলৈ যত্ন কৰিলে। ইয়াৰ বাবে তেওঁলোকে অলপ দিনৰ ভিতৰতে

অসমীয়া ভাষাটো শিকি পেলালে। অকল ইয়ানেই নহয়, সকলো ভাষাৰ কাৰণে ব্যাকৰণ আৰু অভিধান নিতান্ত অপৰিহাৰ্য্য বুলি জানি ৰবিন্সন চাহাবে ১৮৩৯ খৃঃত ইংৰাজীতে **অসমীয়া ভাষাৰ ব্যাকৰণ** আৰু ৰেভাৰেণ্ড ব্ৰন্সনে **অসমীয়া অভিধান** প্ৰণয়ণ কৰে। ১৮৪৪ খৃঃত শ্ৰীমতী কট্টৰৰ **অসমীয়া শব্দাৱলী আৰু খণ্ডবাক্য** প্ৰকাশ পায়। মিছনেৰীসকলৰ যত্নতেই ১৮১৩ খৃঃত নগাঁৱৰ আত্মাৰাম শৰ্মাই বাইবেল পুথি অনুবাদ কৰে।

মিছনেৰীসকলে অসমত খৃষ্ট ধৰ্ম প্ৰচাৰ কৰাৰ লগতে অসমীয়া ভাষাটোকো সঞ্জীৱিত কৰিবলৈ লেহে কেহে লাগি গৈছিল। তেওঁলোকে জনসাধাৰণৰ লগত মিলিগৈ অলপ দিনৰ ভিতৰতে এই কথা উপলব্ধি কৰিলে যে, জনসাধাৰণে ঘৰুৱা জীৱনত কয় এটা ভাষা আৰু স্কুল-আদালতত শিকিব বা ক'ব লগীয়া হয় আন এটা ভাষা। বঙালী কৰ্মচাৰীৰ দুষ্টবুদ্ধি আৰু ইংৰাজ শাসকৰ অজ্ঞতাৰ ফলতেই যে অসমীয়া ভাষাৰ এনে দুৰৱস্থা হৈছে সেইটো বুজিবলৈকো তেওঁলোকৰ বেছি দিন নালাগিল। লেহেহে তেওঁলোকে আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা আদিৰ লগ লাগি বৃটিছ শাসকবৰ্গক বুজাই দিলে যে, অসমীয়া বঙলাৰপৰা এটা সম্পূৰ্ণ স্বতন্ত্ৰ ভাষা আৰু অসমৰ স্কুল-আদালতত বঙলাৰ ঠাইত অসমীয়া চলোৱাহে যুক্তি-যুক্ত। অসমীয়া ভাষা যে বঙলা ভাষাৰপৰা পৃথক এইটো প্ৰমাণ কৰিবৰ কাৰণে মোফাত মিলছে 'A few Remarks on Assamese Language' নামৰ পুস্তিকা এখন ১৮৫৫ চনত প্ৰণয়ণ কৰে। এইদৰে এওঁলোকৰ যত্নতে ১৮৭২ খৃঃত ইংৰাজ চৰকাৰে অসমৰ পঢ়াশালি আৰু আদালতত অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা কৰিলে।

মিছনেৰীসকলে অসমীয়াক আৰু এটি নতুন দান দিলে; সি হ'ল 'অৰুনোদই' (অৰুণোদয়) আলোচনী। এই আলোচনীখন শিৱসাগৰৰ মিছনেৰী প্ৰেছৰ পৰাই ১৮৪৬ চনত প্ৰথম প্ৰকাশ পায় আৰু তাৰ যোগেদি অসমীয়া সাহিত্যাকাশত নবাৰুণৰ প্ৰৱেশ ঘটে। ইয়াৰ প্ৰথম সম্পাদক আছিল ও, টি, কট্টৰ। এই আলোচনীখনে অসমীয়াৰ মাজত দেশ-বিদেশৰ জ্ঞানৰ বাট মুকলি কৰে। খৃষ্টধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে এই আলোচনীখন উলিওৱা হৈছিল যদিও ইয়াত বুৰঞ্জী, বিজ্ঞান, জ্যোতিষতত্ব, নীতিমূলক গল্প, জীৱনী, প্ৰকৃতি-বিষয়ক কথা, দেশ-বিদেশৰ বা-বাতৰি আদি প্ৰকাশ কৰা হৈছিল। ইয়াত অসমৰ মানুহ আৰু বস্তুৰ ছবিও দিয়া হৈছিল আৰু সেই ছবিবোৰ অসমীয়া বাঢ়ৈয়ে কাঠত কাটি ব্লক কৰিছিল। ইয়াত অসমৰ বুৰঞ্জীও ধাৰাবাহিকভাৱে প্ৰকাশ কৰা হৈছিল।

অৰুণোদয়ৰপৰা কেইটামান বিশেষ উপকাৰ সাধিত হল। (১) অৰুণোদয়ে এক শ্ৰেণীৰ লেখকৰ সৃষ্টি কৰিলে। আনন্দৰাম ঢেকিয়ালফুকন, নিধি লিৱাই ফাৰোৱেল (ন, ল, ফ,), হেমচন্দ্ৰ বৰুৱা, বলৰাম ফুকন, ধৰ্মকান্ত বুঢ়াগোহাঁই আদিয়ে অৰুণোদয়ৰ যোগেদি আত্ম প্ৰকাশ কৰিছিল।

(২) অৰুণোদয়ত প্ৰকাশিত কিছুমান বৰ্ণনামূলক কবিতা পুৰণি বৈষ্ণৱ কাব্যৰ অনুকৰণতে ৰচিত যদিও এই কাকতৰ যোগেদিয়ে পাশ্চাত্য সাহিত্যৰ ভাবধাৰা পোন প্ৰথমতে অসমীয়া সাহিত্যলৈ আমদানি হয়। অৰুণোদয়ত পুৰণি আৰু আধুনিক অসমীয়া সাহিত্যৰ সমন্বয় ঘটিছে। 'অৰুণোদয়'ৰ বিষয়-বস্তুত নতুনত্ব আছে যদিও ছন্দোবদ্ধ ৰচনাত প্ৰাচীন ৰীতি অনুকৰণ কৰা দেখা যায়। উদাহৰণ স্বৰূপে ১৮৪৭ চনত প্ৰকাশিত ১১শ সংখ্যা 'অৰুণোদয়'ত ঈশ্বৰৰ গুণ-গান এইদৰে গোৱা হৈছে—

সৰ্বগুনে গুনাকাৰ পৰম ঈশ্বৰ,
নিৰাকাৰ ৰূপে আছে সাঁক্ষ ভয়ংকৰ ;
নাহি চক্ষু, নাহি কৰ্ন, নাহি হস্তাকাৰ
তথাচ কৰয় সৃজন পালন সংহাৰ।

(৩) অসমীয়া ভাষা যে বঙ্গালৰপৰা এটা পৃথক ভাষা, এইটো প্ৰমাণ কৰাত পুৰণি পুথিবোৰৰ দৰে অৰুণোদয়েও সহায় কৰে।

(৪) আলোচনী আৰু বাতৰি-কাকত হৈছে কোনো জাতিৰ বা দেশৰ সমসাময়িক ভাবধাৰা আৰু ঘটনাৱলী প্ৰকাশৰ উৎকৃষ্ট বাহন। 'অৰুণোদয়' একেধাৰে আলোচনী আৰু বাতৰি-কাকত হোৱাত তাত নানা বিষয়ৰ প্ৰবন্ধ, গল্প আদি আৰু দেশ-বিদেশৰ সমসাময়িক বাতৰি প্ৰকাশ হৈছিল। অৰুণোদয়ৰ আদৰ্শতে পিছত **আসাম বিলাসিনী, আসাম মিহিৰ** আদি অসমীয়া আলোচনী গুলাই অসমীয়া সাহিত্যৰ উন্নতিত সহায়তা কৰে।

মিছনেৰীসকলে উল্লিখিত দানসমূহ আৰু বঢ়োৱাৰ উপৰি অসমীয়া ভাষাত ভালেমান গ্ৰন্থ অনুবাদ বা ৰচনা কৰে। ডঃ নাথান ব্ৰাউনে ১৮৪৮ খৃঃত **নিউ টেষ্টেমেণ্টৰ অসমীয়া ভাঙনি,** আৰু ১৮৪৯ খৃষ্টাব্দত বাইবেলৰপৰা ভাঙনি কৰি **খ্ৰীষ্টৰ বিৱৰণ আৰু স্তুতি যাত্ৰা** (যাত্ৰা) প্ৰকাশ কৰে। এওঁ ১৮৪৮ খৃঃত **অসমীয়া ভাষাৰ ব্যাকৰণ** লিখে। ব্ৰাউনৰ পত্নী এলিজা ব্ৰাউনেও অসমীয়া ভাষাত ল'ৰা-ছোৱালীৰ উপযোগীকৈ **সাধুৰ পুথি আৰু গণনা পুথি** ৰচনা কৰে।

আন এজন মিছনেৰী চাহাব ডঃ মাইলচ্ ব্ৰন্সনে নিভাঁজ অসমীয়া শব্দেৰে **অসমীয়া অভিধান** লিখি ১৮৬৭ চনত প্ৰকাশ কৰে। এ. কে. গাৰ্নীয়ে শিৱসাগৰত ধৰ্মযাজক হিচাপে থাকি 'অৰুণোদয়' সম্পাদনা কৰাৰ উপৰিও কেইখানো পুথি অসমীয়াত ৰচনা কৰিছিল। ৰচনা-ৰীতি বা কলা-কৌশলৰ ফালৰপৰা ত্ৰুটি থাকিলেও এওঁৰ ৰচিত **কামিনীকান্ত** (১৮৭৭ খৃঃ) কেই অসমীয়া ভাষাৰ প্ৰথম উপন্যাস বুলি ক'ব পাৰি। খৃষ্ট ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেই এই গ্ৰন্থখনি লিখা হৈছিল। উপন্যাসখনৰ কাহিনীটোত কোৱা হৈছে—সদ্য বিবাহিত কামিনীকান্তই হিন্দু ধৰ্ম ত্যাগ কৰি খৃষ্ট ধৰ্ম লৈ পাদ্ৰী চাহাবৰ লগত থকাত নৈতিক পিতৃ ৰামজয় বাবুৰ এক প্ৰকাৰ ত্যাজ্য পুত্ৰৰ দৰেই হ'ল। কামিনী-কান্তই বন্ধু নৰেন্দ্ৰৰ সহায়ত ঘৈণীয়েক সৰলাক চিঠিৰে বুজাই দিলে যে, হিন্দু, ব্ৰাহ্ম আদি ধৰ্মতকৈ খৃষ্ট ধৰ্মহে শ্ৰেষ্ঠ। সৰলাই প্ৰথমে আপত্তি কৰিছিল যদিও শেষত খৃষ্ট ধৰ্মকে গ্ৰহণ কৰিলে। বন্ধু নৰেন্দ্ৰ আৰু তেওঁৰ পত্নীয়েও বন্ধু-বান্ধৱীৰ আদৰ্শকে বাচি ললে। এ. কে. গাৰ্নীয়ে ইয়াৰ উপৰি 'এলোকেশী বেশ্যাৰ বিষয়', 'কানি খেহেক্কৰাৰ কথা', 'পুৰণি নিয়ম' (old Testament), 'ৰুথ আৰু যোচেফৰ কাহিনী' আদি ৰচনা কৰে। শ্ৰীমতী গাৰ্নীয়েও 'ফুলমণি আৰু কৰুণা' নামৰ পুথি এখন লিখে।

অসমীয়া খৃষ্টান নিধি লিৱাই কাবোৱেলেও 'অৰুণোদয়'ত 'বিনই ৰচন', 'নিস্তাৰৰ উপাই', 'নৰকৰ বিৱৰণ' আদি কবিতা পুৰণি বৈষ্ণৱ কবিতাৰ আহিত লিখিছিল।

উল্লিখিত গ্ৰন্থসমূহৰ উপৰি মিছনেৰী চাহাবসকলে অসমীয়া ভাষাত 'বাইবেলৰ সাধু', 'আত্মিকৰ আত্ৰা,' 'যোচেফৰ কাহিনী', 'মাউৰী ছোৱালী', 'আফ্ৰিকাৰ কৌৱৰ', 'আমেৰিকা আবিষ্কাৰ' আদিকৈ ভালেমান পুথি ৰচনা কৰে।

মিছনেৰীসকলে অসমীয়া ভাষাত আলোচনী আৰু নানা ধৰণৰ পুথি প্ৰকাশ কৰাৰ উপৰিও অসমীয়া শব্দমালালৈকো দান দি গ'ল। মিছনেৰীসকল ইংৰাজী-ভাষী হোৱা কাৰণে অসমীয়া ভাষাত ভালেমান নতুন আভিধানিক আৰু বৈয়াকৰণিক ৰূপৰ প্ৰৱেশ হ'ল। তেওঁলোকে ইংৰাজী শব্দৰ ভাব লৈ বহুত অসমীয়া শব্দ সৃষ্টি কৰিলে। তেওঁলোকে সৰ্বাপেক্ষত ইংৰাজী বা আন ভাৰতীয় ভাষাৰপৰা শব্দ ধাৰ নকৰি থকৰা বোলেৰে নতুন অসমীয়া শব্দ সৃষ্টি কৰিছিল। যেনে 'বৰফ'ৰ সলনি 'শিলপানী' বা 'পানীশিল' নাইবা আড়ৰ 'সলনি লতা-

পৰিষদ'হে ব্যৱহাৰ কৰিছিল। ৰচনাত শিক্ষাগৰৰ কথিত ভাষাকে ব্যৱহাৰ কৰিছিল যদিও বৰ্ণ-বিন্যাসত প্ৰকৃত বানানৰ ফালে লক্ষ্য নাৰাখি উচ্চাৰণৰ ফালেহে লক্ষ্য ৰাখিছিল। যেনে—অৰুনোদই (অৰুণোদয়), বিবৰন (বিৱৰণ) ইস্বৰ (ঈশ্বৰ), প্ৰানি (প্ৰাণী), ব্ৰত (ব্ৰত), জিবন-মৰন (জীৱন-মৰণ), চখ্যু (চক্ষু), গুৱাহাটি (গুৱাহাটী), ব্ৰিতান্ত (বৃত্তান্ত), জাত্ৰি (যাত্ৰী), কাসি (কাশী) ইত্যাদি।

মিছনেৰীসকলৰ বাক্য-ৰচনা বা শব্দ-চয়ন ৰীতিত খুঁত থাকিলেও এইটো ঠিক যে পৰৱৰ্তী যুগতো বাক্য-ৰচনা বা শব্দ-চয়নৰ ক্ষেত্ৰত তেওঁলোকৰ আদৰ্শ ই সহায় কৰিছিল। বিশেষকৈ মিছনেৰীসকলে "আমাৰ ভাষাক এটি সুৰ শিকাই গ'ল। সেই সুৰটি আগেয়ে অসমীয়া ভাষাই নাজানিছিল, ভাৰতবৰ্ষৰ কোনো ভাষাই নাজানিছিল। ই পাশ্চাত্য সাহিত্যৰ নিজা সম্পত্তি তাক পাদুৰী চাহাবসকলে সাত সাগৰ তেৰ নৈ পাৰ হৈ আনি ভাৰতবৰ্ষৰ ভাষাবোৰক শিকাই দিলেহি। বৰ্তমান যুগৰ ভাৰতবৰ্ষীয় আন আন সাহিত্যৰ দৰে অসমীয়া সাহিত্যবো ঘ'তে তৌকৰ মাৰা এই বিলাতী সুৰটিৰ গুণগুণনি শুনিবলৈ পাবা।" ('অসমীয়া ভাষা'—হেমচন্দ্ৰ গোস্বামী।)

এইদৰে দেখা যায়, মিছনেৰীসকলে অসমীয়া ভাষাটোক বঙলা ভাষাৰ কবল-পৰা মুক্ত কৰি নতুন বোলেৰে—নতুন সুৰেৰে থিতাতে প্ৰাণৱন্ত কৰি তুলিলে, তাৰ বাবে সকলো অসমীয়া ভাষা-ভাষী তেওঁলোকৰ ওচৰত ঋণী থাকিব লাগিব।